# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

\- - - - - - - - - - - - -

১। অসম-মেঘালয় আৰু অসম-অৰুণাচল প্ৰদেশৰ সীমা বিবাদ সন্দৰ্ভত গুৱাহাটীত কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনৰ তিনিওখন ৰাজ্যৰ মুখ্য সচিবৰে দুখন সুকীয়া বৈঠকত অংশগ্ৰহণ।

২। ডনাল্ড ট্ৰাম্প আমেৰিকা যুক্তৰাষ্ট্ৰৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত।

৩। ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে মাজত ৬টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। **আৰু**

৪। জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে দেশজুৰি নীতি আয়োগৰ জল উৎসৱ আৰম্ভ।

ooooo

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে অসম আৰু মেঘালয়ৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সীমা বিবাদৰ সমাধান সূত্ৰ বিচাৰি আজি গুৱাহাটীত এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। বৈঠকত দুয়োখন ৰাজ্যৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে গৃহ সচিবগৰাকীয়ে কালি অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কইনাধৰাত অনুষ্ঠিত বৈঠকখনত শ্ৰী মোহনে মুখ্য সচিব ৰবি কোটা আৰু অন্য শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত আলফা, আদিবাসী, কাৰ্বি আৰু ডিমা নেচনেল লিবাৰেচন আৰ্মীৰ সৈতে জড়িত চুক্তিৰ পৰ্যালোচনা চলায়। গৃহ সচিবগৰাকীয়ে লগতে আত্মসমৰ্পণ কৰা বিভিন্ন গোটৰ উগ্ৰপন্থীসকলৰ পুনৰসংস্থাপনৰ সৈতে জড়িত বিভিন্ন বিষয়ৰো পৰ্যালোচনা কৰে। আলফাৰ শান্তি চুক্তিক লৈ সংগঠনটোৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সম্পাদক অনুপ চেতিয়াই গৃহ সচিবৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সংবাদ মাধ্যমেৰে হোৱা কথা-বতৰাত অনুপ চেতিয়াই কয় যে শান্তি চুক্তিৰ বিষয়সমূহ কাৰ্যকৰী কৰাৰ সন্দৰ্ভতেই আলোচনা কৰা হৈছিল। দিনজোৱা এই বৈঠকৰ পাছত কেন্দ্ৰীয় গৃহ সচিব গৰাকীয়ে আত্মসমৰ্পণকাৰী উগ্ৰপন্থী সংগঠনৰ সদস্যসকলৰ পুনৰ সংস্থাপনৰ বিষয়টোও চৰকাৰৰ সৈতে আলোচনা কৰে।

গৃহ সচিবগৰাকীয়ে অসম অৰুণাচলৰ সীমা বিবাদ মীমাংসা সন্দৰ্ভত আন এখন গুৰুত্বপূৰ্ণ বৈঠকতো মিলিত হয়। এই বৈঠকত দুয়োখন ৰাজ্যৰ পাৰস্পৰিক সীমা সম্পৰ্কে বিষয়সমূহ আলোচনা কৰা হয়।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বিজয় সুনিশ্চিত হৈছে। ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী কমলা হেৰিছক চেৰ পেলাই ট্ৰাম্প সুনিশ্চিত বিজয়ৰ দিশে অগ্ৰসৰ হৈছে। ড'নাল্ড ট্ৰাম্পে জয়ৰ বাবে আৱশ্যকীয় ২৭০টা নিৰ্ণায়ক ভোট লাভ কৰি পেনচিলভেনিয়াকে ধৰি গুৰুত্বপূৰ্ণ

অঞ্চলসমূহত জয়লাভ কৰে। উল্লেখযোগ্য যে ২০২০ চনত ডেম'ক্ৰেটিক দলে জয়লাভ কৰা জৰ্জিয়াত তেওঁৰ অগ্ৰগতিয়ে জয় সুনিশ্চিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ড'নাল্ড ট্ৰাম্পক এই বিজয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰী মোদীয়ে এই কথা প্ৰকাশ কৰি ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিকসকলৰ কল্যাণৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনায়।

**বাইট**

০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে মাজত ৬টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিজৰ ভাষণত ড০ শৰ্মাই বিটিআৰত সুদীৰ্ঘ দিনৰ হিংসাত্মক পৰিস্থিতিৰ পাছত শান্তি প্ৰতিষ্ঠা হৈছে বুলি উল্লেখ কৰি অনুষ্ঠানটোত শান্তি আৰু উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাতো অংশগ্ৰহণ কৰে। আজি চিদলী বিধানসভাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেইবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলেও নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। বঙাইগাঁও উপ-নিৰ্বাচনৰ সন্দৰ্ভত এই আমাৰ সংবাদদাতা তেজছ ত্ৰিপাঠী

**ভইচ কাষ্ট**

ইপিনে মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ বিহালী পঞ্চায়তত প্ৰচাৰ চলায়।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি বঙাইগাঁৱত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী বৰাই উন্নয়নৰ আৰু সুশাসনৰ স্বাৰ্থত দলৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। ইপিনে কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে আজি চামগুৰি সমষ্টিৰ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ সভাত অংশ লয়। সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত আজি মন্ত্ৰী বিমল বৰাই এখন সংবাদমেলত ভাগ লোৱাৰ লগতে প্ৰচাৰ চলায়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে মেধাৱী শিক্ষাৰ্থীসকলক বিত্তীয় সাহায্য প্ৰদানৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত অনুমোদন জনাইছে। নতুন দিল্লীত আজি কেবিনেট বৈঠকত লোৱা সিদ্ধান্তৰ বিষয়ে সাংবাদিকক অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, বিদ্যাৰ্থীসকলে উচ্চ শিক্ষা লাভৰ বাবে অতিৰিক্ত বন্ধকী অবিহনে ঋণ লাভ কৰিব পাৰিব। তেওঁ কয় যে, বিত্তীয় অন্তৰায়ে যাতে দেশৰ যুৱ প্ৰজন্মক গুণগত উচ্চ শিক্ষা আহৰণত বাধা প্ৰদান কৰিব নোৱাৰে তাৰ বাবে এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই আঁচনি অনুসৰি ৭ লাখ ৫০ হাজাৰ টকাৰ ঋণৰ ক্ষেত্ৰত চৰকাৰে ৭৫ শতাংশ ঋণৰ নিশ্চয়তা প্ৰদান কৰিব। ৮ লাখ টকা পৰ্যন্ত ছাত্ৰ-ছাত্ৰীয়ে মৰেটৰিয়াম আৰু অৰ্থাৎ দেনা স্থগিতৰ কালত ১০ লাখ টকালৈকে ঋণৰ সূদৰ ক্ষেত্ৰত ৩ শতাংশ ৰেহাই লাভ কৰিব। এই আঁচনিৰ জৰিয়তে ৭ লাখ শিক্ষাৰ্থী উপকৃত হ'ব বুলি আশা

কৰা হৈছে। আঁচনিখনৰ সুবধা গ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী পোৰ্টেলৰ জৰিয়তে আবেদন কৰিব পৰা যাব।

ooooo

শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৈছে যে, কেবিনেটে ৩ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী ব্যয়েৰে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত অনুমোদন দিয়াৰ ফলত উচ্চ শিক্ষাৰ লাভৰ ক্ষেত্ৰত থকা বাধাসমূহ দূৰ হ'ব আৰু দেশৰ যুৱক-যুৱতীসকলে নিজৰ সপোন পূৰণ কৰিব পাৰিব। শ্ৰীপ্ৰধানে সামাজিক মাধ্যমযোগে কয় যে, প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিৰ অধীনত অতিৰিক্ত বন্ধকীমুক্ত আৰু নিশ্চয়তা প্ৰদান কৰোতা অবিহনে লাভ কৰা শিক্ষা ঋণ ব্যৱস্থাই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ শিক্ষা লাভৰ পথ সুগম কৰি তুলিব। তেওঁ কয় যে, এই আঁচনিখনে কোনো ছাত্ৰ যাতে বিত্তীয় বাধাৰ বাবে শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া নহয় সেয়া নিশ্চিত কৰিব। দেশৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলৰ বাবে একবিংশ শতিকাৰ উচ্চ শিক্ষা সাৰ্বজনীন কৰি তোলাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিশ্চয়তা বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁছনিৰ জৰিয়তে শিক্ষাৰ্থীসকলে ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানগত ৰেংকিং পৰিকাথামোৰ ভিত্তিত দেশৰ শীৰ্ষৰ ৮৬০ খন উচ্চ শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তিৰ সুযোগ লাভ কৰিব। এই আঁচনিৰ অধীৱনত প্ৰতিবছৰে ২২ লাখ শিক্ষাৰ্থীক সামৰি লোৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিক ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ণৰ দিশে লোৱা শক্তিশালী পদক্ষেপ বুলি অভিহিত কৰে। এই আঁচনিয়ে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ লাখ লাখ শিক্ষাৰ্থীক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ১৫ দিনীয়া জল উৎসৱ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলৰ তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নীতি আয়োগে প্ৰকাশ কৰা মতে দেশৰ ২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত আজিৰেপৰা ২৪ নৱেম্বৰলৈ ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ আৰু জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ আয়োজন কৰা হৈছে। দেশৰ মুঠ ২০ খন ৰাজ্যত আৰম্ভ হোৱা এই অভিযানৰ জৰিয়তে জল সংৰক্ষণ আৰু জল সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ বিচৰা হৈছে। জল ব্যৱস্থাপনা কাৰ্যকলাপত পৰিয়াল তথা সম্প্ৰদায়ৰ ভিতৰত পৰিৱৰ্তনৰ অনুঘটক হিচাপে কাম কৰিবলৈ এই অভিযানে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োগ কৰিছে।

ডিমা হাছাও জিলাতো আজি জল উৎসৱ অভিযান আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত তথা জাতিংগা উপত্যকা অভিলাসী উন্নয়ন খণ্ডৰ সহযোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰসমূহত সামূহিক অংশগ্ৰহণ সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে। আজি এই অনুষ্ঠানৰ শুভাৰম্ভ কৰি এই কাৰ্যসূচীৰ বাবে নীতি আয়োগৰ ৰাজ্যিক ন'ডেল বিষয়া মৈত্ৰেয়ী মিশ্ৰই জিলাখনৰ এন লেইকুল জনজাতীয় সম্প্ৰদায়ে এই ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰে। অনুষ্ঠানত জিলাখনৰ আয়ুক্তই নিজৰ ভাষণত স্থানীয় লোকসকলক বিশেষ মহিলাসকলক বহনক্ষম জলব্যৱস্থাপনা অভ্যাস গঢ়ি তোলাৰ বাবে উৎসাহ যোগায়। উল্লেখযোগ্য যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তথ্য অনুসৰি অঞ্চলটোত ৩৬ হাজাৰ ৫৩৬টা খোৱাপানীৰ নল কাৰ্যক্ষম হৈ আছে। আজি শুভাৰম্ভ কৰা এই অভিযানৰ সহায়ত ৰাজ্যখনৰ জলব্যৱস্থাপনা প্ৰক্ৰিয়া সক্ৰিয় আৰু নিয়াৰিকৈ পৰিচালনা কৰিবলৈ লক্ষ্য লোৱা হৈছে।

ooooo

যোৰহাটৰ তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত আজি কৃষক দিৱস উদযাপন কৰা হয়। দিৱসৰ কাৰ্যসূচীত অংশ লৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই কয় যে প্ৰাকৃতিক কৃষিৰ জৰিয়তে পুৰণি ধানৰ জাতসমূহ সংৰক্ষণ কৰি কৃষি পৰম্পৰাৰ লগতে কৃষকৰ সামগ্ৰিক উত্তৰণৰ ব্যৱস্থা কৰাটো অতি জৰুৰী হৈ পৰিছে। বতৰৰ প্ৰতিকূল পৰিস্থিতিৰ লগত খাপ খাব পৰা গুণৰ ধানৰ খেতি কৰি অধিক উপকৃত হ'ব পৰা যায় বুলিও তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে জীৱামৃত আৰু বীজামৃতৰ দৰে উপাদানৰ জৰিয়তে খেতি কৰি কৃষি ক্ষেত্ৰত পৰিৱৰ্তন আনিব পৰা যায়। গৱেষণা কেন্দ্ৰটোৰ পামত অনুষ্ঠিত আজিৰ কাৰ্যসূচীত কৃষি বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালক ড০ সঞ্জয় কুমাৰ চেতিয়াকে ধৰি কৃষি বিভাগৰ কেইবাজনো জ্যেষ্ঠ বিষয়া তথা প্ৰগতিশীল কৃষকে অংশগ্ৰহণ কৰে।

ooooo

ৰাজ্যজুৰি অহা ১৩ নৱেম্বৰৰ পৰা খেল মহাৰণ ২.০ৰ প্ৰাথমিক পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হ'ব। জিলা প্ৰশাসনসমূহে ইয়াৰ বাবে যাৱতীয় প্ৰচেষ্টা অব্যাহত ৰাখিছে। গোৱালপাৰা জিলা প্ৰশাসনে আজি এই প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে গঠন কৰা বিধানসভা সমষ্টি পৰ্যায়ৰ সমিতিৰ সভাপতি, খণ্ড উন্নয়ন বিষয়া, গাঁও পঞ্চায়তৰ সচিব তথা গাঁও পঞ্চায়ত পৰ্যায়ৰ সমিতিৰ সম্পাদকসকলৰ সৈতে এখন সভা অনুষ্ঠিত কৰে। এই সভাত খেলসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে সকলোকে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনোৱা হয়।

ooooo

দৰং আৰক্ষীয়ে অভিযান চলাই ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প এটা খৰ্গযুক্ত গঁড় হত্যাৰ অপচেষ্টা কৰা এটা চোৰাং চিকাৰীৰ এটা দলক আটক কৰে। জিলাখনৰ দলগাঁও থানাৰ অন্তৰ্গত কাছমাৰী সোণাৰী গাঁৱৰ পৰা অস্ত্ৰ-শস্ত্ৰসহ আৰক্ষীয়ে চাৰিটা চোৰাং চিকাৰীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত চিকাৰীকেইটাৰ স্বীকাৰোক্তিৰ ভিত্তিত পাঁচখন দুচকীয়া বাহন, এখন বেটাৰি ৰিক্সা, কেইবাটাও মোবাইল হেণ্ডছেট আদিও জব্দ কৰে। চোৰাং চিকাৰীকেইটাৰ বিৰুদ্ধে দলগাঁও আৰক্ষী থানাত অস্ত্ৰ-শস্ত্ৰ আইনৰ অধীনত গোচৰ ৰুজু কৰাৰ লগতে মঙলদৈ বন্যপ্ৰাণী সংগঠনৰ তৰফৰ পৰা বন্যপ্ৰাণী সুৰক্ষা আইনৰ অধীনত সুকীয়াকৈ গোচৰ ৰুজু কৰা হৈছে।

ooooo

ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া বুলি ভুৱা পৰিচয় দিয়া এজন লোকক আজি আৰক্ষীয়ে কৰিমগঞ্জত আটক কৰে। জাবিৰ হুছেইন নামৰ লোকজনে অপৰাধ শাখাৰ শীৰ্ষ বিষয়া হিচাপে হুছেইনে চিনাকি দি সামাজিক মাধ্যমত বহু লোকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিছিল। তদুপৰি তেওঁ এজন শিক্ষকক ভীতি প্ৰদৰ্শন কৰি তেওঁৰ পৰা ১০ লাখ টকা দাবী কৰিছিল। সম্পূৰ্ণ ধন দিয়াৰ বিপৰীতে শিক্ষকজনে থানাত গোচৰ ৰুজু কৰে আৰু পাছত প্ৰৱঞ্চকটোক আৰক্ষীয়ে আটক কৰে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ অধীনত ১৯ বছৰ অনূৰ্ধ কোচবিহাৰ ট্ৰফীৰ এখন খেল আজিৰে পৰা বৰপেটাত অনুষ্ঠিত হৈছে। বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অসম আৰু বিহাৰৰ মাজত অনুষ্ঠিত খেলখনৰ প্ৰথম দিনা আজি বিহাৰে প্ৰথম ইনিংছত আঠাইকেইটা উইকেট হেৰুৱাই ৭০ ৰান সংগ্ৰহ কৰে।

অসম দলৰ হৈ হৰ্ষ কুমাৰে বিহাৰৰ ৫টা উইকেট দখল কৰে। আজি এই খেলখনৰ উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষক উপস্থিত থাকে।

০০০০০

মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নিৰীক্ষক মঙলদৈৰ শান্তিপুৰ নিৱাসী দিলিপ তালুকদাৰৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাত দেহাৱসান ঘটে। চাৰি দিন ধৰি অসুস্থ হৈ থকা তালুকদাৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৪ বছৰ।

০০০০০

সমাপ্ত